# সৰুপথাৰ মহাবিদ্যালয়

স্থাপিত ঃ ১৯৭০ চন

SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

দ্বিতীয় বছৰ, প্ৰথম সংখ্যা,(ফেব্ৰুৱাৰী-মাৰ্চ) ২০২৫, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। দ্বিতীয় বছৰ, প্ৰথম সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩১ মাৰ্চ, ২০২৫, সোমবাৰ


## সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে গ্ৰহণ কৰে "ভাৰত গৌৰৱ বঁটা"

৫ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে লাভ কৰে "ভাৰত গৌৰৱ বঁটা"। কৰ্ণাটকৰ চেডামত ভাৰতীয় সাংস্কৃতিক উৎসৱৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত



অধ্যক্ষ ঠাকুৰক প্ৰদান কৰা হয় 'ভাৰত গৌৰৱ বঁটা'। দীৰ্ঘদিন ধৰি জীৱ-জন্তুৰ প্ৰতি দেখুৱাই অহা মৰম আৰু যত্নৰ বাবে অধ্যক্ষগৰাকীলৈ আগবঢ়োৱা হয় এই বঁটা।

উল্লেখ্য যে ২০২৪ বৰ্ষৰ ডিচেম্বৰ মাহত ঘোষণা হৈছিল 'ভাৰত গৌৰৱ বঁটা'। জীৱ-জন্তুৰ প্ৰতি দেখুৱাই অহা আন্তৰিকতা আৰু যত্নৰ বাবে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে লাভ কৰিছে "ভাৰত গৌৰৱ বঁটা"। ভাৰত বিকাশ সংগম নামৰ ৰাষ্ট্ৰীয় সংস্থাটোৱে আগবঢ়াইছে ৰাষ্ট্ৰীয় বঁটা "ভাৰত গৌৰৱ"।

ড° প্ৰাপ্তি ঠাকুৰে শৈক্ষিক, সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনৰ বিকাশ আৰু উত্তৰণৰ বাটত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। লগতে তেওঁৰ জীৱ-জন্তুৰ প্ৰতি মহানুভৱতা, প্ৰেম, ভালপোৱাই সকলোৰে বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। বিশেষকৈ ড° ঠাকুৰে "প্ৰাপ্তি ফাউণ্ডেচন"ৰ জৰিয়তে নিজা প্ৰচেষ্টাৰে ৰাস্তাৰ কুকুৰ আৰু জীৱ-জন্তুৰ বাবে দীৰ্ঘদিন ধৰি খাদ্য যোগান ধৰাৰ লগতে চিকিৎসা-সেৱা প্ৰদান কৰি এক ব্যতিক্ৰমী নিদৰ্শন ডাঙি ধৰিছে। উল্লেখযোগ্য যে কুকুৰৰ বাবে 'প্ৰাপ্তি ফাউণ্ডেচন'ৰ উদ্যোগত এটি আশ্ৰয়গৃহ নিৰ্মাণ কৰিছে। য'ত কুকুৰবোৰক খাদ্য যোগান ধৰাৰ উপৰিও স্বাস্থ্যৰ যতন লোৱা হয়। এই আশ্ৰয়গৃহ শতাধিক কুকুৰ ৰখাৰ ব্যৱস্থাও আছে।■

## বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ' ২০২৫ ৰ বঁটা বিতৰণী সভা

১১ ফেব্ৰুৱাৰী, তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ'ৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ২৫ জানুৱাৰীৰ পৰা ৩১



জানুৱাৰীলৈ অনুষ্ঠিত হয় বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতিৰ ৰাখি বঁটা বিতৰণী অনুষ্ঠানৰ দিনা ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক শোভাযাত্ৰাত অংশ গ্ৰহণ কৰে। সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰথম স্থান লাভ কৰে ইতিহাস বিভাগে, দ্বিতীয় অসমীয়া বিভাগ, তৃতীয় স্থান লাভ কৰে ক্ৰমে বাণিজ্য বিভাগ আৰু ৰাজনীতি বিজ্ঞান বিভাগ। ২০২৪-২৫ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ লাভ কৰে ল'ৰা শাখাৰ আঙ্গাত থাপা, ছোৱালী শাখাৰ প্ৰিয়ংকা থাপা। শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী হিচাপে স্থান লাভ কৰে দুলেশ্বৰ শইকীয়াই, শ্ৰেষ্ঠ গায়ক হিচাপে আনন্দ তাঁতীয়ে স্থান দখল কৰে।

উল্লেখযোগ্য যে সৰুপথাৰ মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ মডেলিং প্ৰতিযোগিতাৰ মিছ সৰুপথাৰ মহাবিদ্যালয়ৰ খিতাপ অৰ্জন কৰে চৰিতা সুৱাঙ্গী আৰু মিষ্টাৰ সৰুপথাৰ মহাবিদ্যালয়ৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয় ৰাহুল গগৈ।■

## বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ বক্তৃতানুষ্ঠানত অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ

২৭ মাৰ্চ, ২০২৫ তাৰিখে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ আমন্ত্ৰণ ক্ৰমে বিশেষ বক্তৃতানুষ্ঠানত উপস্থিত থাকে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ। *'ৰামধেনু যুগৰ গল্পৰ গতি-প্ৰকৃতি'* শীৰ্ষক বক্তৃতা প্ৰদান কৰাৰ লগতে স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰী আৰু গৱেষকসকলৰ সৈতে মত বিনিময় কৰে অধ্যক্ষগৰাকীয়ে। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° সুবুং বসুমতাৰী ডাঙৰীয়াৰ সৈতে বিদ্যায়তনিক আলোচনাতো মিলিত হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° চুমী কলিতাৰ লগতে বিভাগীয় শিক্ষকসকললৈ ড° প্ৰাপ্তি ঠাকুৰে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।



উক্ত দিনাই কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগে আয়োজন কৰা বক্তৃতানুষ্ঠানতো *'ৰামধেনু যুগৰ গল্পৰ বিষয় আৰু বৈচিত্ৰ্য'* শীৰ্ষক বক্তৃতা প্ৰদান কৰে অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে। সমান্তৰালকৈ সৰুপথাৰ মহাবিদ্যালয় আৰু কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ লগত এখন বুজাবুজিৰ চুক্তিত সন্মানীয় অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ আৰু অধ্যক্ষ ড° ডিমাছা দৈৱাং মুছাহাৰীৰ উপস্থিতিত স্বাক্ষৰ কৰা হয়।■

## বিধানসভাত বাজেট অধিৱেশনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দল

৬ মাৰ্চ, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ ২৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে বৰপথাৰ মহাবিদ্যালয়ৰ ১০ জনীয়া ছাত্ৰৰ এটি দলে অসম বিধান সভাৰ বাজেট অধিৱেশনৰ দিনটোৰ কাৰ্য্যক্ৰমণিকা প্ৰত্যক্ষ কৰে। সভাৰ শেষত ছাত্ৰ-ছাত্ৰীসকলে বিধান সভাৰ সন্মানীয় অধ্যক্ষ শ্ৰীযুত বিশ্বজিৎ দৈমাৰী, বিত্তমন্ত্ৰী অজন্তা নেওগ, সৰুপথাৰ সমষ্টিৰ সন্মানীয় বিধায়ক বিশ্বজিৎ ফুকন আৰু খাদ্য তথা অসামৰিক যোগান বিভাগৰ মন্ত্ৰী শ্ৰীযুত কৌশিক ৰয় ডাঙৰীয়াৰ সৈতে মত বিনিময় কৰে লগতে আলোচনা সত্ৰত মিলিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ তত্বাৱধায়ক শিক্ষক হিচাপে আছিল মহাবিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ শ্ৰী ৰূপজ্যোতি গগৈ।■



## 'আধুনিক মীন পালনৰ এবছৰীয়া বৃত্তিমুখী পাঠ্যক্ৰম'ৰ শুভাৰম্ভ

১৯ মাৰ্চ, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত অসম কৃষি বিশ্ববিদ্যালয়ৰ অনুমোদন আৰু মীন মহাবিদ্যালয়ৰ সহযোগত আৰম্ভ কৰা হ'ল আধুনিক মীন পালনৰ (Advance Fish Farming) এবছৰীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম। মীন মহাবিদ্যালয়ৰ সন্মানীয় ডীন ড° প্ৰদীপ চন্দ্ৰ ভূঞা, সহকাৰী অধ্যাপক ড° ৰাজদীপ দত্ত, জিলা মীন উন্নয়ন বিষয়া শ্ৰী সীমান্ত কোঁৱৰৰ লগতে বৰপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পবিত্ৰ চুতীয়া ডাঙৰীয়া এই শুভাৰম্ভণী অনুষ্ঠানত উপস্থিত থাকি সকলোকে উৎসাহিত আৰু অনুপ্ৰাণিত কৰে। ১৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে নামভৰ্তি কৰা এই পাঠ্যক্ৰমৰ মূল প্ৰশিক্ষক হিচাপে আছে শ্ৰী শৰৎ চেতিয়া। এই পাঠ্যক্ৰমৰ নিয়মীয়াকৈ প্ৰশিক্ষণ আৰম্ভ হ'ব ২২ মাৰ্চ শনিবাৰৰ পৰা। শুভাৰম্ভণী অনুষ্ঠানটিৰ আঁত ধৰে ইংৰাজী বিভাগৰ জ্যেষ্ঠ অধ্যাপক শ্ৰী প্ৰাঞ্জল দত্ত ডাঙৰীয়াই। এই পাঠ্যক্ৰমৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ মহাবিদ্যালয়ৰ অধ্যক্ষই কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে।



উল্লেখ্য যে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰৰ তৎপৰতাতেই ২০২৪ বৰ্ষৰ আগষ্ট মাহৰ পৰা মহাবিদ্যালয় খনত পোনপ্ৰথমবাৰৰ বাবে 'চাহ প্ৰযুক্তি আৰু ব্যৱস্থাপনা' (Comprehensive Tea Technology and Management) চাৰ্টিফিকেটৰ পাঠ্যক্ৰম আৰম্ভ কৰি বৃত্তিমুখী পাঠ্যক্ৰমৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। নতুনকৈ আৰম্ভ কৰা আধুনিক মীন পালনৰ এই পাঠ্যক্ৰমে বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীক যথেষ্ট উপকৃত কৰিব বুলি আশা কৰা হৈছে।■

## আন্তৰ্জাতিক মাতৃভাষা দিৱস উদযাপন

সৰুপথাৰ মহাবিদ্যালয়ৰ 'দিৱস উদযাপন কোষ'ৰ উদ্যোগত আৰু অসমীয়া বিভাগৰ সহযোগত ২১ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে ছাত্ৰ - ছাত্ৰীসকলৰ উপস্থিতিত মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। 'দিৱস উদ্‌যাপন কোষ'ৰ আহ্বায়ক কৃষ্ণ কোঁৱৰে আঁত ধৰা অনুষ্ঠানত অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° প্ৰণৱ ঢেকিয়াল ফুকনে 'মাতৃভাষাৰ গুৰুত্ব আৰু ভাষাচৰ্চা' বিষয়ত বক্তৃতা আগবঢ়ায়।■



## সৰুপথাৰ মহাবিদ্যালয়ত সৰস্বতী পূজা উদ্‌যাপন

৩ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত পালন কৰা হয় বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা। সৰস্বতী পূজাৰ দিনটো জ্ঞানৰ দেৱী সৰস্বতীক পূজা কৰিলে শিক্ষাৰ্থীসকলৰ মনৰ কামনা পূৰ্ণ হয়। লগতে মা সৰস্বতীয়ে তেওঁলোকক আশীৰ্বাদ প্ৰদান কৰে। সৰস্বতী পূজা উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আনন্দময় পৰিৱেশে বিৰাজ কৰে। ছাত্ৰ-ছাত্ৰীসকলে পূজাৰ আগদিনাই দেৱী সৰস্বতীৰ মূৰ্তি আনি পূজাৰ বেদীত স্থাপন কৰে। পূজাৰ দিনা পুৱাৰ পৰা মহাবিদ্যালয়ত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ বন্দনাৰে মুখৰিত হয়।■



## বিনামূলীয়া স্বাস্থ্য পৰীক্ষা

১ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু সৰুপথাৰ সমজিলা প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ সহযোগত সৰুপথাৰ মহাবিদ্যালয়তেই বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱা হয়। সৰুপথাৰ মহাবিদ্যালয়ৰ সমল কেন্দ্ৰ (Resource Centre)ৰ উদ্যোগত আৰু সৰুপথাৰ সমজিলা চিকিৎসা কেন্দ্ৰৰ সহযোগত প্ৰতিটো মাহতেই বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰি অহা হৈছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি দৰিদ্ৰ লোকসকলৰ ৰোগ নিৰাময়ৰ বাবে বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ লাভ কৰিছে।■

## সৰুপথাৰ মহাবিদ্যালয়ৰ স্ব-নিয়োজন কোষে নিজাকৈ উৎপাদন কৰিছে গামোচা

সৰুপথাৰ মহাবিদ্যালয়ৰ স্ব-নিয়োজন কোষৰ উদ্যোগত তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰৰ নেতৃত্বত মহাবিদ্যালয়ত তাঁতশাল পাতি গামোচা উৎপাদনৰ বাবে অহৰহ প্ৰচেষ্টা কৰি থকা হৈছে। ইতিমধ্যে স্ব-নিয়োজন কোষে কিছুসংখ্যক গামোচা উৎপাদন কৰিবলৈ সক্ষম হৈছিল। নিজাকৈ উৎপাদন হোৱা গামোচাৰে মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰাক্ ভোগালী মেলাত সৰুপথাৰ সমষ্টিৰ সন্মানীয় বিধায়কক সম্বৰ্দ্ধনা জনোৱাৰ লগতে বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনাবলৈ সক্ষম হৈছিল।



১৭ মাৰ্চ, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ স্ব-নিয়োজন কোষে পুনৰ নিজাকৈ উৎপাদন কৰিবলৈ সক্ষম হৈছে কিছুসংখ্যক গামোচা। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ স্ব-নিয়োজন কোষক বিশেষভাৱে সহায় কৰে শ্ৰীযুতা অমিয়া বৰা বাইদেউ। মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগেত স্ব-নিয়োজন কোষে অমিয়া বৰা বাইদেউক অশেষ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে।■

## সৰুপথাৰ মহাবিদ্যালয়ৰ বিশেষ বক্তৃতানুষ্ঠানত অসমৰ প্ৰথিতযশা সাহিত্যিক মণিকুন্তলা ভট্টাচাৰ্য

২০ মাৰ্চ, ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত উপস্থিত আছিল অসমৰ প্ৰথিতযশা সাহিত্যিক, কবি, গল্পকাৰ, ঔপন্যাসিক শ্ৰদ্ধাৰ শ্ৰীযুতা মণিকুন্তলা ভট্টাচাৰ্য। সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয় আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত যোৱা ২০ মাৰ্চ, বৃহস্পতিবাৰে অনুষ্ঠিত হৈছিল বিশেষ বক্তৃতানুষ্ঠান (Guest Lecture 2.0)। এই বক্তৃতানুষ্ঠানত বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সমন্বিতে সমৃদ্ধ কৰিলে অসমৰ বিশিষ্ট সাহিত্যিক শ্ৰদ্ধাৰ শ্ৰীযুতা মণিকুন্তলা ভট্টাচাৰ্য।



বক্তৃতাৰ বিষয় আছিল ***"ঔপন্যাসিকৰ দৃষ্টিৰে সমাজ, সাহিত্য আৰু জীৱন"***। বক্তৃতাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে যশস্বী সাহিত্যিকগৰাকীৰ সৈতে বাৰ্তালাপৰে এখিনি অনন্য সময় উদযাপন কৰে। এই অনুষ্ঠানটিৰ আঁত ধৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ববিতা দত্তই। মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে শ্ৰদ্ধাৰ মণিকুন্তলা ভট্টাচাৰ্যলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে। ■

## সৰুপথাৰ মহাবিদ্যালয়ৰ জ্যেষ্ঠ কাৰ্যালয় সহায়ক তিলক ডেকাৰ অৱসৰ গ্ৰহণ

২৮ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ জ্যেষ্ঠ কাৰ্যালয় সহায়ক তিলক ডেকাই অৱসৰ গ্ৰহণ কৰে। ১৩-১২-১৯৮৮ চনৰ পৰা সুদীৰ্ঘ ৩৬ বছৰ কাল সৰুপথাৰ মহাবিদ্যালয়ত কৰ্মৰত আছিল তিলক ডেকা। কৰ্মজীৱনৰ সময়ছোৱাত মহাবিদ্যালয়ৰ প্ৰত্যেকটো কামেই নিয়াৰীকৈ কৰিছিল ডেকাই। ২৮ ফেব্ৰুৱাৰী শুক্ৰবাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ আলোচনা কক্ষত মহাবিদ্যালয় শিক্ষক গোটে তিলক ডেকাৰ অৱসৰৰ বাবে আনুষ্ঠানিকভাৱে বিদায়ী সভা অনুষ্ঠিত কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে শিক্ষক-কৰ্মচাৰীয়ে আনুষ্ঠানিক সম্বৰ্দ্ধনা জনায়। সকলোৱে তেখেতৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্য কামনা কৰে। ■




## বিশ্ব কবিতা দিৱস উদ্‌যাপন

২১ মাৰ্চ, ২০২৫ শুক্ৰবাৰে সৰুপথাৰ মহাবিদ্যালয়ত উদ্‌যাপন কৰা হয় 'বিশ্ব কবিতা দিৱস'। শিক্ষক আৰু ছাত্ৰ -ছাত্ৰীসকলৰ মাজত হোৱা কবিতা সম্পৰ্কীয় আলোচনা, কবিতা আবৃত্তি, কবিতা পাঠ আদিয়ে অনুষ্ঠানটি সৰ্বাংগসুন্দৰ কৰি তোলে। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° ববিতা দত্ত, সহযোগী অধ্যাপক ড° প্ৰণৱ ঢেকিয়াল ফুকন, সহকাৰী অধ্যাপক ড°অমৰ শইকীয়াৰ কবিতা সম্পৰ্কীয় আলোচনা আৰু স্বৰচিত কবিতা পাঠ, ছাত্ৰ দুলেশ্বৰ শইকীয়া, দিপু শইকীয়া, ছাত্ৰী অস্মিতা বৰঠাকুৰৰ কবিতা আবৃত্তি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ স্বৰচিত কবিতা পাঠে অনুষ্ঠানটো জীপাল কৰি তোলে।■

## যাত্ৰা অসীম অনন্ত.....ছাত্ৰ-ছাত্ৰীৰ সাফল্য

### দ্বৈত অভিনয় প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য

২৭মাৰ্চ, ২০২৫ তাৰিখে গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃমহাবিদ্যালয়/আন্তঃবিশ্ববিদ্যালয়ৰ দ্বৈত অভিনয় প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ কুলদীপ গগৈ আৰু ছাত্ৰী পূজাশ্ৰী বৰাই বিচাৰকৰ বিশেষ বটা পাবলৈ সক্ষম হৈছে। উক্ত প্ৰতিযোগিতাত তত্ত্বাৱধায়ক শিক্ষক হিচাপে আছিল বাণিজ্য বিভাগৰ অধ্যাপক প্ৰশান্ত পোদ্দাৰ। ■

## নাৰী দিৱসৰ লগত সংগতি ৰাখি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা

৮ মাৰ্চ, ২০২৫ সৰুপথাৰ মণ্ডল মহিলা-মৰ্চাৰ উদ্যোগত পূব নাওজান জনতা পথাৰ সামূহিক ভৱনত উদ্‌যাপিত হয় আন্তঃৰাষ্ট্ৰীয় নাৰী-দিৱস। সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰতি মাহৰ বিনামূলীয়া চিকিৎসা শিবিৰটি নাৰী দিৱস উপলক্ষে নাওজান অঞ্চলতেই সম্পন্ন কৰা হয়। সেই অঞ্চলৰ মহিলাসকলৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে এই উদ্দেশ্য সফল কৰি তোলে। সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে পৰিয়ালবৰ্গই নাৰী-দিৱসৰ আন্তৰিক অভিনন্দনৰ লগতে সংশ্লিষ্ট সকলোলৈকে বিশেষকৈ সৰুপথাৰ সমজিলা স্বাস্থ্য কেন্দ্ৰৰ বিষয়ববীয়াসকললৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে এপ্ৰিল মাহৰ বাবে বিনামূলীয়া চিকিৎসা শিবিৰ সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। সৰুপথাৰ সম-জিলাত সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত কৰা বিনামূলীয়া চিকিৎসা শিবিৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লগতে গ্ৰামাঞ্চলৰ দৰিদ্ৰ লোকসকল স্বাস্থ্যৰ ক্ষেত্ৰত যথেষ্ট উপকৃত হৈছে। ■



## যাত্ৰা অসীম অনন্ত.....ছাত্ৰ-ছাত্ৰীৰ সাফল্য

### 'প্ৰযত্ন' শীৰ্ষক এলানি প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য

২৮ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে কাজিৰঙা বিশ্ববিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত 'প্ৰযত্ন' শীৰ্ষক এলানি প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে দুটাকৈ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ ছাত্ৰ দুলেশ্বৰ শইকীয়া, কুলদীপ গগৈয়ে "Vision With Mission"ত প্ৰথম স্থান লাভ কৰে। সমান্তৰালকৈ দ্বিজু গগৈ, ভৃগুৰাজ বাভা, অভিজিৎ ফুকন, মহিমা লিম্বু, দৰ্শন শইকীয়াই "Creativity Through Imagination" ত প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰে। এই প্ৰতিযোগিতাত গোলাঘাট, যোৰহাট আৰু শিৱসাগৰ জিলাৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়কে ধৰি ১৬ খন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে পৰিয়ালবৰ্গই অভিনন্দন আৰু শুভেচ্ছাৰ লগতে তত্ত্বাৱধায়কদ্বয় স্মিতা চেতিয়া আৰু যুগল মেধিলৈ ধন্যবাদ জ্ঞাপন কৰে। ■



### সৰুপথাৰ মহাবিদালয়ৰ ছাত্ৰী স্বস্তিকা গগৈৰ সাফল্য

সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী স্বস্তিকা গগৈয়ে ২০২৫ চনৰ ৩ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত 'খেলো ইণ্ডিয়া'ৰ উশু ৱ'মেন লীগত ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। সেইদৰে জানুৱাৰী মাহৰ ১৮ আৰু ১৯ তাৰিখে বোন্দাত অনুষ্ঠিত ৰাজ্যিক উশু চেম্পিয়নশ্বিপতো স্বস্তিকা গগৈয়ে স্বৰ্ণ পদক লাভ কৰিছে। ছাত্ৰীগৰাকীলৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। ■

### পেনচাক ছিলাট প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী আশামণি মুছাহাৰীৰ সাফল্য

১৭ মাৰ্চ আৰু১৮ মাৰ্চ, ২০২৫ তাৰিখে নাগালেণ্ডৰ ডিমাপুৰত দুদিনীয়াকৈ অনুষ্ঠিত 'অস্মিতা খেল' ইণ্ডিয়া'ৰ উত্তৰ পূৰ্বাঞ্চল মণ্ডলৰ পেনচাক ছিলাট মহিলা লীগত সৰুপথাৰ মহাবিদ্যালয়ৰ দ্বিতীয় ষান্মাসিকৰ ছাত্ৰী আশামণি মুছাহাৰীয়ে একক আৰু দলীয়ভাৱে দুয়োটাতে ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়।■





*'প্ৰযত্ন' শীৰ্ষক এলানি প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য*



*অধ্যক্ষৰ সৈতে স্বস্তিকা গগৈ*







*পেনচাক ছিলাট প্ৰতিযোগিতাত আশামণি মুছাহাৰীৰ সাফল্য*




দ্বৈত অভিনয় প্ৰতিযোগিতাত ছাত্ৰ কুলদীপ গগৈ আৰু ছাত্ৰী পূজাশ্ৰী বৰা।

## Academic and Cultural Exchange with Lumding Colleges

On 11th February, 2025, Dr. Gitanjali Nath, Head of the Assamese Department, Lumding College, along with Assistant Professor Binita Bhuyan and a team of twelve students, visited Sarupathar College for an academic and cultural exchange program. As a significant step towards academic collaboration, Sarupathar College signed a Memorandum of Understanding (MoU) with Lumding College, fostering future cooperation in research, cultural studies, and student development. The visiting team actively engaged in a cultural exchange program with the students of Sarupathar College, where both groups showcased traditional performances and shared insights into their respective cultural backgrounds. The delegation stayed overnight at the college and explored the institution, engaging in interactive sessions with faculty and students. The visit strengthened academic ties between the two institutions and provided an enriching experience for students, fostering mutual learning and cultural appreciation.■




## Sarupathar College Signs MoU with Directorate of Historical and Antiquarian Studies

Sarupathar College took a significant step toward academic and historical research by signing a Memorandum of Understanding (MoU) with the Directorate of Historical and Antiquarian Studies, Assam, on 22nd February 2025. The agreement aims to facilitate collaborative research on the substantial archaeological, linguistic, social, and cultural resources of the Dhansiri region, many of which remain unexplored. Through this partnership, both institutions seek to undertake systematic studies and documentation of these historical and cultural assets. The MoU establishes a framework for joint efforts in research, field studies, and knowledge-sharing initiatives, fostering deeper insights into the region's rich heritage. This collaboration is expected to contribute significantly to historical and cultural scholarship in Assam.■




## Mental Health Awareness Programme Held at Sarupathar College

A Mental Health Awareness Programme was organized at **Sarupathar College** on **20th March, 2025**, under the initiative of **ASHADEEP**, a mental health organization dedicated to promoting psychological well-being in the community. The programme focused on spreading awareness about mental health issues among students and encouraging open discussions around emotional and psychological well-being. It was conducted by a team of experts from ASHADEEP –

- **Sangeeta Deka**, *Senior Psychologist*
- **Barsha Borthakur**, *Psychologist*
- **Sikhasree Gogoi**, *Community Health Worker*



The session covered key topics such as stress management, anxiety, depression, and the importance of seeking professional help when necessary. Through interactive discussions and real-life examples, the speakers emphasized the need to break the stigma surrounding mental health. Students actively participated in the event, asking questions and sharing their thoughts, making the programme both informative and impactful. The initiative was highly appreciated by the faculty and students alike, marking a significant step towards building a mentally healthy academic environment.■

## Sarupathar College Women's Cell Celebrates International Women's Day 2025

The Women's Cell of Sarupathar College celebrated International Women's Day 2025 with enthusiasm and participation from faculty and students. The event, hosted by Dr. Bobita Dutta, highlighted the importance of gender equality and women's empowerment. Vice Principal Jayanta Bora, along with Krishna Konwar and Karabi Biswas, delivered insightful speeches emphasizing the role of women in society and the need for continued progress in achieving gender equity. The celebration also featured cultural performances by students, including soulful singing and poetry recitations, adding to the vibrancy of the occasion. The event successfully fostered awareness and appreciation for women's contributions across various fields.■

## IQAC, Sarupathar College in Collaboration with ICTA, Guwahati Organises Training Programme on 21st Century Skills



The Internal Quality Assurance Cell (IQAC) of Sarupathar College conducted a one-day training program titled *"21st Century Skills: Assess, Adapt, and Achieve"* on March 27, 2025, aimed at equipping students with essential skills for the modern era. The session was led by Mr. Sunil Borah from ICT Academy, who provided valuable insights into skill development, adaptability, and strategies for achieving success in a rapidly evolving world. The training focused on key competencies such as critical thinking, communication, digital literacy, and problem-solving. The program was well-received by students, who actively participated in interactive discussions and practical exercises. Through this initiative, Sarupathar College reaffirmed its commitment to enhancing student learning and preparing them for future challenges.■

## IQAC, Sarupathar College in Collaboration with ICTA, Guwahati Conducts Faculty Development Programme on Communication and Presentation Skills

The Internal Quality Assurance Cell (IQAC) of Sarupathar College successfully organized a five-day Faculty Development Programme (FDP) on *Communication and Presentation Skills* from March 24 to March 28, 2025. The programme aimed at enhancing the teaching effectiveness of faculty members by equipping them with advanced communication and presentation techniques. The sessions were conducted by Mr. Sunil Borah from ICT Academy, who provided comprehensive training on effective communication strategies, public speaking skills, and modern presentation methods. Faculty members from Deopani College also participated in the programme, making it a collaborative and enriching experience. The initiative received positive feedback from participants, who found the training beneficial for improving their classroom engagement and professional communication. The programme reaffirmed Sarupathar College's commitment to faculty development and academic excellence.■








# News Capsules

## Research Assistant and Field Investigator Joined ICSSR Research Project

Department of Commerce at Sarupathar College has once again made significant strides in the research field through its contribution to the ICSSR Collaborative Empirical Research Project on "Assessing the Role of the Jal Jeevan Mission in Empowering Women in Rural Assam" (2024-25)

On 17th March, 2025 two talented individuals were appointed to this project:

- Ms. Nijara Tirky, Research Assistant
- Mr. Sahid Rabha, Field Investigator

The selection process was graced by our esteemed Principal, Dr. Prapti Thakur, along with Mr. Prasanta Poddar, Head of the Department of Commerce, Dr. Sanjay Rizal, Project Director, and Dr. Pritom Sutradhar, Co-Project Director. Under the visionary leadership of Dr. Sanjay Rizal, the Department of Commerce has successfully made both the department and Sarupathar College immensely proud with its impactful contributions to research.■

## PhD Awarded to Dr. Sanjay Rizal

It is with great admiration and pride that Dr. Sanjay Rizal (Assistant Professor, Department of Commerce, Sarupathar College) has been awarded the Degree of Doctor of Philosophy in Commerce on 11 March, 2025.

His Ph.D. represents a remarkable achievement, highlighting his passion for learning and unwavering commitment to academic excellence that has led him to achieve this outstanding milestone. Sarupathar College is proud and honoured to witness his success and are delighted to see his hard work pay off. Wishing him continued success as he embarks on this exciting new chapter in his professional journey. ■

## Alumna Ms. Ritika Agarwal Joins Jorhat Engineering College As Assistant Professor

Ms. Ritika Agarwal, an ex-student of Sarupathar College, Department of Commerce, has been appointed as Assistant Professor in Jorhat Engineering College in February, 2025. This remarkable achievement showcases her tireless efforts, academic rigour, and commitment to excellence, motivating the current students to pursue their goals with renewed passion. ■

## Parent-Teacher Meet conducted by Dept. of English

The Department of English, Sarupathar College, successfully conducted the Parent-Teacher Meet for the academic session 2024-25 on March 4, 2025. The meeting was held in the presence of Vice Principal Jayanta Bora and all four faculty members of the department.

The event was hosted by faculty member Jerry Timmungpi, while the welcome speech was delivered by Trishmita Borah, Head of the Department. The primary agenda of the meeting was to discuss academic progress, student engagement, and areas of improvement. Teachers Pranjal Dutta and Rini Banerjee highlighted irregular student attendance as a significant issue affecting academic performance. The discussion that followed was highly interactive, with both faculty members and parents exchanging insights and suggestions to address the concern effectively.

A major highlight of the meeting was the inauguration of a handwritten magazine titled Papyrus, which was prepared by the students of the department. The magazine was unveiled by Rini Banerjee, adding a creative and literary dimension to the event.

Overall, the Parent-Teacher Meet proved to be a productive and engaging session, fostering better communication between faculty and guardians while strengthening the collaborative efforts towards student development.■

## Two-Month Weaving Training Workshop Commenced

A two-month weaving training workshop commenced at Sarupathar College on 24th February, 2025, sponsored by the Indian Institute of Entrepreneurship (IIE). This workshop will provide self-employment opportunities to 30 local young women. This marks the third workshop collaboration between (IIE) and Sarupathar College. It will serve as an important platform for promoting traditional handloom practices and empowering local artisans through structured skill development. ■

## Inter-Departmental Quiz Competition

On 21st March, 2025 the Sarupathar College Quiz Forum organized an engaging inter-departmental quiz competition that brought together the vibrant academic spirit of the college. Each department proudly fielded one team, showcasing their knowledge and teamwork. The enthusiastic Dr. Amor Saikia, Anjali Yadav, and Dr. Pritam Sutradhar, who served as quiz masters, infusing the competition with their expertise and charisma, expertly moderated the event. The atmosphere buzzed with excitement as participants tackled challenging questions across various subjects. After a fierce contest, the Department of History triumphed, claiming first place with their impressive performance, while the Department of Political Science secured a commendable second position. As the event drew to a close, the coordinator of the college, Mr. Sandhan Hazarika, delivered a heartfelt vote of thanks, expressing appreciation for the participants, organizers, and supporters who made the competition a memorable success.■

# Educational Tour

Several departments of Sarupathar College recently organized educational trips to various locations across Assam, aiming to enhance experiential learning and provide students with first-hand exposure relevant to their academic curriculum."The Department of Assamese led the way with a visit to Tezpur on 25th February, exploring the historical and cultural heritage of the city. Following suit, both the History and Sociology departments visited Tezpur on 27th February, engaging in a collaborative educational experience focused on the region's historical significance and social fabric. "On 28th February, the Department of Education journeyed to Panimur, a scenic and educationally rich site, offering students insights into the natural environment and its role in learning spaces. "Continuing the academic excursions, the Department of English visited Bheloghat on 1st March, where students explored the cultural and literary significance of the area. On the same day, the Department of Commerce travelled to Siloni, focusing on the economic aspects and market dynamics of the region. "These trips, organized with the objective of promoting holistic education, were well-received by the students and faculty alike. The college administration expressed satisfaction over the smooth conduct and the educational value gained through these outings.■






সৰুপথাৰ মহাবিদ্যালয়ৰ স্ব-নিয়োজন কোষৰ দ্বাৰা গামোচা উৎপাদন



আন্তৰ্জাতিক নাৰী দিৱস উদযাপন



Sarupathar College Signs MoU with Directorate of Historical and Antiquarian Studies




'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সংগতি ৰাখি সাংস্কৃতিক শোভাযাত্ৰা



Parent-Teacher Meet conducted by Dept. of English



Two-month weaving workshop commenced



Inter-Departmental Quiz Competition



Nijara Tirky and Sahid Rabha Joined Research Project






Several Departments of Sarupathar College organized Educational trips to various locations across Assam

প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ
মুখ্য উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
উপদেষ্টাঃ ড° ৰবিতা দত্ত
সম্পাদকঃ সত্যব্ৰত দত্ত
সম্পাদক (ইংৰাজী শাখা)ঃ তৃস্মিতা বড়া
সহঃ সম্পাদকঃ যুগল মেধি
কাৰিকৰী ব্যৱস্থাপনাঃ যুগল মেধি